দেশ

২০২৭ চনৰ বিধানসভা নির্বাচনৰ প্রস্তুতি: দিল্লীত বিজেপিৰ দুদিনীয়া গুৰুত্বপূর্ণ বৈঠক

২০২৭ চনৰ বিধানসভা নির্বাচনৰ ৰণনীতি প্রস্তুতৰ লক্ষ্যৰে নতুন দিল্লীৰ পূষা চৌহদত বিজেপিয়ে দুদিনীয়া কার্যসূচীৰে এক গুৰুত্বপূর্ণ বৈঠকৰ আয়োজন কৰিছে।

প্রকাশ: ২৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:১০



BJP Holds Two-Day Delhi Meetin

নতুন দিল্লী:

আগন্তুক ২০২৭ চনৰ বিধানসভা নির্বাচনক লক্ষ্য কৰি সাংগঠনিক প্রস্তুতি আৰু নির্বাচনী ৰণনীতি নির্ধাৰণৰ উদ্দেশ্যে নতুন দিল্লীত ভাৰতীয় জনতা পার্টিৰ এক গুৰুত্বপূর্ণ বৈঠক অনুষ্ঠিত হৈছে। ২৭ আৰু ২৮ নৱেম্বৰত দিল্লীৰ পূষা চৌহদত এই দুদিনীয়া বৈঠকখন অনুষ্ঠিত হয়।বিজেপিৰ দুদিনীয়া ৰাষ্ট্রীয় কার্যালয়বাহী বৈঠকক লৈ দিল্লীৰ পুছা কেম্পাছত ব্যাপক প্রস্তুতি। বিজেপিৰ ৰাষ্ট্রীয় সভাপতি নীতিন নবীনৰ অধ্যক্ষতাত অনুষ্ঠিত হ'ব বৈঠক।

© 2026 NewzNow

শীর্ষ নেতৃত্বৰ অংশগ্ৰহণ

দলৰ এই গুৰুত্বপূৰ্ণ বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন উপস্থিত থাকে। ইয়াৰ উপৰি দলটোৰ প্ৰায় ১০৭ গৰাকী ৰাষ্ট্ৰীয় পদাধিকাৰী, বিভিন্ন ৰাজ্যৰ ৰাজ্যিক সভাপতি, ৰাজ্যিক তত্ত্বাৱধায়ক আৰু সাংগঠনিক সম্পাদকসকলেও বৈঠকত অংশগ্ৰহণ কৰে।

নিৰ্বাচনী ৰণনীতি আৰু দলীয় ভেটি সুদৃঢ় কৰাৰ আলোচনা

২০২৭ চনৰ বিধানসভা নিৰ্বাচনসমূহৰ প্ৰস্তুতিয়েই এই বৈঠকৰ মূল বিষয়বস্তু হিচাপে স্থান পাইছে। নিৰ্বাচনৰ সম্ভাব্য প্ৰত্যাহ্বানৰ মোকাবিলা কৰা, দলীয় ভেটি অধিক সুদৃঢ় কৰা আৰু সাংগঠনিক কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনাৰ সন্দৰ্ভত বৈঠকত বিস্তৃত আলোচনা কৰা হয়।

২৭ নৱেম্বৰৰ বিয়লিৰ পৰা আৰম্ভ হোৱা এই দুদিনীয়া বৈঠকত মুঠ পাঁচটা অধিৱেশন অনুষ্ঠিত হয়। বৈঠকৰ অন্তত আগন্তুক নিৰ্বাচনসমূহৰ প্ৰস্তুতিৰ পৰৱৰ্তী পদক্ষেপ আৰু অগ্ৰাধিকাৰসমূহ নিৰ্ধাৰণ কৰা হ'ব।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6868/bjp-national-office-bearers-meeting-delhi-assembly-polls